**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ৯২**

**উত্তৰ দিয়াৰ তাৰিখ-০৭-০৭-২০২৬**

**বিষয়ঃ অংগনবাড়ী কেন্দ্ৰ সম্পৰ্কে**

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, বিধায়ক**

**প্ৰশ্নঃ-**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) পাকা বেতবাৰী সমষ্টিত থকা অংগনবাড়ী কেন্দ্ৰসমূহ কোন কোন প্ৰকল্পৰ অধীনত? তালিকা সহ জনাব।

(খ) পাকা বেতবাৰী সমষ্টিত থকা অংগনবাড়ী কেন্দ্ৰসমূহৰ নাম আৰু ইয়াত কৰ্মৰত কৰ্মী আৰু সহায়িকাসকলৰ তালিকা দিব ।

(গ) অসমত এতিয়ালৈকে কিমানখন অংগনবাড়ী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰা হৈছে? সমষ্টি হিচাপে জনাব।

(ঘ) পাকা বেতবাৰী সমষ্টিত মুঠ কিমানখন অংগনবাড়ী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰা হৈছে ? বাকী থকা কেন্দ্ৰসমূহ আদৰ্শ কেন্দ্ৰ হিচাপে কেতিয়া নিৰ্মাণ কৰিব জনাব।

(ঙ) অংগনবাড়ী কেন্দ্ৰসমূহত বৰ্তমান কি কি আঁচনি চলি আছে ? তাৰ তালিকা দিব।

(চ) পাকা বেতবাৰী সমষ্টিৰ কোন কোন কেন্দ্ৰৰ পৰিচালনা কমিটীৰ ম্যাদ উকলি গৈছে ? তাৰ তালিকা দিব।নতুন নিয়ম অনুসৰি কোন কেন্দ্ৰ এতিয়ালৈকে পৰিচালনা সমিতি গঠন হোৱা নাই তাৰ তালিকা দিব? কি কাৰণত পৰিচালনা সমিতি গঠন হোৱা নাই তাৰ কাৰণ উল্লেখ কৰিব।

(ছ) পাকা বেতবাৰী সমষ্টিত কোন কোন কেন্দ্ৰত কিমান হিতাধিকাৰী আছে তাৰ সংখ্যা উল্লেখ কৰি তালিকা দিব।

(জ) অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলৰ মাননী বৃদ্ধিৰ কিবা পদক্ষেপ বা পৰিকল্পনা আছে নেকি? যদি আছে, কৰ্মী আৰু সহায়িকা সকলৰ মাননী কিমান হ'ব আৰু কেতিয়া কাৰ্য্যকৰী কৰিব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) পাকা বেতবাৰী সমষ্টিত থকা অংগনবাড়ী কেন্দ্ৰ সমূহ বৰপেটা, পাকা-বেতবাৰী, সৰুক্ষেত্ৰী, ভৱানীপুৰ আৰু চকচকা প্ৰকল্পৰ অধীনত । অংগনবাড়ী কেন্দ্ৰ সমূহ ৰ তালিকা সংহত শিশু উন্নয়ন প্ৰকল্পৰ ভিত্তিতহে উপলব্ধ ।

(খ)অংগনবাড়ী কেন্দ্ৰ সমূহৰ নাম আৰু ইয়াত কৰ্মৰত কৰ্মী আৰু সহায়িকা সকলৰ তালিকা সংহত শিশু প্ৰকল্পৰ ভিত্তিতহে উপলব্ধ ।

(গ) অসমত এতিয়ালৈকে ৯০৫৪ টা অংগনবাড়ী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰা হৈছে। জিলাভিত্তিক আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ তালিকা **পৰিশিষ্ট-"ক" ত** সংলগ্ন কৰা হ'ল।

(ঘ) আদৰ্শ অংগনবাড়ী কেন্দ্ৰ জিলা ভিত্তিত অনুমোদন জনোৱা হয় । পূজি সাপেক্ষে নিৰ্মাণ কৰাৰ ব্যৱস্থা লোৱা হব ।

(ঙ) অংগনবাড়ী কেন্দ্ৰ  সমূহত বৰ্তমান পৰিপূৰক পুষ্টি প্ৰদান, প্ৰাক প্ৰাথমিক শিক্ষা, স্বাস্থ্য পৰীক্ষা, প্ৰতিষেধক, সেৱা, প্ৰেৰিত সেৱা আৰু পৰিপুষ্টি আৰু স্বাস্থ্য শিক্ষা সম্প্ৰসাৰণ ইত্যাদি আচঁনিসমূহ চলি আছে।

(চ)সংহত শিশু উন্নয়ন প্ৰকল্প সমূহৰ অধীনত অংগনৱাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ তথ্যসমূহ উক্তপ্ৰকল্পসমূহত উপলব্ধ। ইতিমধ্যে ভাৰত চৰকাৰৰ নতুন নিৰ্দেশনা অনুসৰি অংগনৱাদী কেন্দ্ৰ পৰিচালনা সমিতি নতুনকৈ গঠন  কৰাৰ বাবে নীতি-নিৰ্দেশনা প্ৰস্তুত ৰি থকা হৈছে।

(ছ)সংহত শিশু উন্নয়ন প্ৰকল্পত উপলব্ধ।

(জ)অসম চৰকাৰে ২০২৫ চনৰ ১ অক্টোৱৰৰ পৰা কাৰ্যকৰী হোৱাকৈ অঙ্গনবাড়ী কৰ্মীৰ বাবে মাহিলী ১৫০০ টকাকৈ আৰু অঙ্গনবাড়ী সহায়িকাৰ বাবে ৭৫০ টকাকৈ ৰাজ্যিক অনুদান বৃদ্ধি কৰে।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট-"ক"** ৰ সৈতে বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

****************

পৰিশিষ্ট - 'ক' (ক)

## Districtwise list of Construction of Model AWC

| Sl. No. | District Name | Total No.s of Model AWCs sanctioned |
|---|---|---|
| 1 | Bajali | 180 |
| 2 | Baksa | 173 |
| 3 | Barpeta | 223 |
| 4 | Biswanath | 290 |
| 5 | Bongaigaon | 175 |
| 6 | Cachar | 429 |
| 7 | Charaideo | 185 |
| 8 | Chirang | 175 |
| 9 | Darrang | 270 |
| 10 | Dhemaji | 198 |
| 11 | Dhubri | 212 |
| 12 | Dibrugarh | 574 |
| 13 | Dima Hasao | 95 |
| 14 | Goalpara | 163 |
| 15 | Golaghat | 398 |
| 16 | Hailakandi | 127 |
| 17 | Hojai | 205 |
| 18 | Jorhat | 341 |
| 19 | Kamrup | 545 |
| 20 | Kamrup Metro | 210 |
| 21 | Karbi Anglong | 265 |
| 22 | Sribhumi | 326 |
| 23 | Kokrajhar | 250 |
| 24 | Lakhimpur | 328 |
| 25 | Majuli | 96 |
| 26 | Morigaon | 215 |
| 27 | Nagaon | 496 |
| 28 | Nalbari | 232 |
| 29 | Sibsagar | 274 |
| 30 | Sonitpur | 415 |
| 31 | South Salmara Mankachar | 55 |
| 32 | Tamulpur | 106 |
| 33 | Tinsukia | 472 |
| 34 | Udalguri | 255 |
| 35 | West Karbi Anglong | 101 |
| | Total | 9054 |

Scanned with OKEN Scanner